# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসমৰ মুঠ ঘৰুৱা উৎপাদন ২০১৩-১৪ চনৰ ২৯ বিলিয়ন ডলাৰৰ পৰা ২০২৩-২৪ বৰ্ষত ৬৮ দশমিক ৭-৮ বিলিয়ন ডলাৰৰো অধিক হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মুম্বাইত ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আসাম শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনৰ বাবে আয়োজিত এটা ৰোড শ্ব'ত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ ইয়াৰ পূৰ্বে সংবাদ মাধ্যম আৰু বিভিন্ন উদ্যোগ জগতৰ প্ৰতিনিধিৰ আগত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এসময়ত উগ্ৰপন্থী সমস্যা আৰু অশান্তিয়ে জৰ্জৰিত কৰা অসমত সম্প্ৰতি ইতিবাচক ৰূপান্তৰ ঘটিছে। তেওঁ লগতে এডভাণ্টেজ আসাম শীৰ্ষ সন্মিলনৰ বিষয়ে সবিশেষ তথ্য নিজৰ ভাষণত দাঙি ধৰে। ইয়াৰ আগেয়ে কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্মিলনৰ বাবে টাটা গোটকে ধৰি দেশৰ কেইবাটাও আগশাৰীৰ উদ্যোগ গোষ্ঠীৰ নেতৃবৰ্গক সাক্ষাৎ কৰি আমন্ত্ৰণ জনায়। ২০১৮ চনত ৰাজ্যৰ প্ৰথমখন বিনিয়োগ সন্মিলনৰ অভূতপূৰ্ব সফলতাৰ পৰিপ্ৰেক্ষিতত অহা ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকিবলগীয়া এই সন্মিলনত দেশৰ লগতে বিদেশৰো ভালেসংখ্যক উদ্যোগপতি উপস্থিত থকাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী এই ভ্ৰমণ কালতে প্ৰায় ১ লাখ কোটি টকাৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাবলৈ কেইবাটাও প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে ৰাজ্য চৰকাৰে প্ৰেৰণ কৰিছে। ইয়াৰ ভিতৰত ৮ হাজাৰ কোটি টকা ব্যয়ৰে বঙাইগাঁও শোধনাগাৰৰ শোধন ক্ষমতা ৫ নিযুত মেট্ৰিকটনলৈ বৃদ্ধি কৰা, ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নামৰূপ সাৰ কাৰখানা সম্প্ৰসাৰণ, ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেংগী-কুৰুৱা সংযোগী দলং, গুৱাহাটী ৰিং ৰোড, গুৱাহাটা ভূটান সংযোগী ৰেল পথ নিৰ্মাণকে ধৰি কেইবাটাও প্ৰকল্প লোৱা হৈছে। এই প্ৰকল্পসমূহ কাৰ্যকৰী হোৱাৰ পাছত অসমে আন্তঃগাঁথনিগত দিশত ভালেখিনি আগবাঢ়ি যাব আৰু ৰাজ্যখনৰ বিনিয়োগৰ বাবে সূচল স্থান হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে।

ooooo

বিদ্যালয়সমূহৰ গুণগত শিক্ষাৰ মান উন্নীতকৰণৰ পদক্ষেপ হিচাপে আজি চলিত বছৰৰ গুণোৎসৱৰ শুভাৰম্ভ কৰা হৈছে। ২০১৭ চনৰ পৰা ৰূপায়ণ কৰা এই কাৰ্যসূচীয়ে পাঁচবাৰকৈ সফলতা লাভ কৰাৰ পাছত আজিৰেপৰা ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত গুণোৎসৱৰ আয়োজন কৰা হৈছে। এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত আজি ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰৰো অধিক বিদ্যালয় সামৰি লোৱা হ'ব। আজি প্ৰথম দিনাৰ কাৰ্যসূচীত বিদ্যালয়সমূহত স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৯ জানুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। এই ১১ খন জিলাৰ ১৬ হাজাৰ ৫৬ খন চৰকাৰী প্ৰাদেশিকীকৃত আদৰ্শ বিদ্যালয়, চাহ বাগিচা আদৰ্শ বিদ্যালয়, কস্তুৰবা গান্ধী বালিকা বিদ্যালয়, নেতাজী সুভাষ চন্দ্ৰ বসু আৱাসিক বিদ্যালয় আৰু চাহ বাগিচাৰ কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত

বিদ্যালয়ক সামৰি লোৱা হ'ব। গুণোৎসৱত প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ মুঠ ১৪ লাখ ১১ হাজাৰ ৮৭৮ গৰাকী শিক্ষাৰ্থীৰ মূল্যায়ন কৰা হ'ব। এই কাৰ্যসূচীত ৬ হেজাৰ ৩৬৫ গৰাকী মন্ত্ৰী, সাংসদ, বিধায়ক, কাৰ্যনিৰ্বাহক সদস্যৰ উপৰি চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰিব।

বৰপেটা জিলাতো আজি গুণোৎসৱৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছে। জিলাখনৰ অন্যতম পুৰণি শিক্ষানুষ্ঠান, দক্ষিণ বৰপেটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি প্ৰাতঃ সভাৰ জৰিয়তে গুণোৎসৱৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ ৭টা শিক্ষা খণ্ডৰ দুহেজাৰখনৰো অধিক শিক্ষানুষ্ঠান আৰু ২ লাখ ৩০ হাজাৰ ৮৪২ গৰাকী ছাত্ৰ-ছাত্ৰীক লৈ গুণোৎসৱৰ আয়োজন কৰা হৈছে।

শিৱসাগৰ জিলাৰ এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰ ৭১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে। কাৰ্যসূচীৰ তৃতীয় দিনা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু বহিঃমূল্যায়ক ৰূপে উপস্থিত থাকিব। জিলাখনত এই কাৰ্যসূচীৰ বাবে ৪৮২ গৰাকী বিহঃমূল্যায়ক, ১২৩ গৰাকী সমন্বয়ক আৰু এহেজাৰ ২৪১ গৰাকী শিক্ষকক দায়িত্ব দিয়া হৈছে। গুণোৎসৱৰ মূল্যায়ন ৯ জানুৱাৰী পৰ্যন্ত চলিব। জিলাখনত যোৱা বছৰ ৮৯৯ খন বিদ্যালয়ে গুণোৎসৱৰ সময়ত এ-গ্ৰেড লাভ কৰে।

০০০০০

শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসম মহাবিদ্যালয় শিক্ষক সংস্থাই আজি আৰম্ভ হোৱা গুণোৎসৱত অংশগ্ৰহণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গুৱাহাটীৰ পল্টন বজাৰত আজি আয়োজিত এখন সংবাদ মেলত সংস্থাৰ সভাপতি জয়ন্ত বৰা আৰু সাধাৰণ সম্পাদক পৰাগজ্যোতি মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে পদোন্নতিৰ দাবীকে ধৰি আন কেতবোৰ  বিষয় মীমাংসা নোহোৱাত মহাবিদ্যালয়ৰ শিক্ষকসকলে গুণোৎসৱ বৰ্জনৰ সিদ্ধান্ত লৈছিল। কিন্তু শিক্ষা মন্ত্ৰীগৰাকীয়ে জনোৱা আহ্বান মৰ্মে তথা ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয়ৰ শিক্ষকসকলৰ স্বাৰ্থত গুৰুত্ব আৰোপ কৰি এই অসহযোগ কাৰ্যসূচী এমাহৰ বাবে স্থগিত ৰখা বুলি সংস্থাৰ নেতৃবৃন্দই সদৰি কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত গোচৰসমূহৰ শুনানি কাইলৈ পুনৰ গ্ৰহণ কৰিব। এই গোচৰসমূহক লৈ ন্যায়ালয়ত চলি থকা শুনানিৰ অংশ হিচাপে আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ বিচাৰপীঠত গোচৰীয় পক্ষ আৰু চৰকাৰী পক্ষৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই নিজ পক্ষৰ যুক্তি দাঙি ধৰে। আজি শুনানি কালত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত ন্যায়ালয়ে আৰোপ কৰা স্থগিতাদেশ প্ৰত্যাহাৰৰ বাবেও আবেদন জনোৱা হয় যদিও ন্যায়ালয়ে এই ক্ষেত্ৰত চৰকাৰক সেউজ সংকেত প্ৰদান নকৰিলে। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিভিন্ন আসোঁৱাহৰ অভিযোগ তুলি একাংশ লোকে উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিত ন্যায়ালয়ে পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি নকৰিবলৈ ৰাজ্যিক নিৰ্বাচন আয়োগক নিৰ্দেশ দিছিল। কাইলৈ পুনৰ এই গোচৰসমূহৰ শুনানি লোৱা হ'ব।

০০০০০

সমাপ্ত